**REGIONAL NEWS UNIT**
ALL INDIA RADIO, GUWAHATI
0000000000

Date : 09-07-2025 **Time :** 1845Hrs.

## Assamese Evening Bulletin
## Headlines

১। দেশৰ ১০ টা শ্ৰমিক সংগঠনৰ উমৈহতীয়া মঞ্চৰ ভাৰত বন্ধৰ অসমত আংশিক প্ৰভাৱ।
২। বিজেপিয়ে বিটিচি পৰিষদীয় নিৰ্বাচন অকলে অৱতীৰ্ণ বুলি মুখ্যমন্ত্ৰী তথা দলৰ জ্যেষ্ঠ নেতা ড০ হিমন্ত বিশ্ব শৰ্মাৰ ঘোষণা। নিৰ্বাচনলৈ কংগ্ৰেছো সাজু বুলি অসম প্ৰদেশ কংগ্ৰেছ কমিটিৰ সভাপতি গৌৰৱ গগৈৰ মন্তব্য।
৩। গোলাঘাট আৰু হোজাই জিলাত বান পৰিস্থিতি বৰ্তমানেও অপৰিৱৰ্তিত।
৪। ওদালগুৰি আৰু কামৰূপ মহানগৰ জিলাত শিশু নিৰ্যাতনৰ গোচৰত দুজন লোকক যাৱজ্জীৱন কাৰাদণ্ড।

*আৰু*

৫। শ্বিলঙত ডুৰাণ্ড কাপ ফুটবল প্ৰতিযোগিতাৰ তিনিওটা ট্ৰফীৰ প্ৰদৰ্শন।

oooooo

কেন্দ্ৰীয় চৰকাৰে শেহতীয়াকৈ শ্ৰমিক আৰু কৃষক বিৰোধী নীতি গ্ৰহণ কৰা বুলি অভিযোগ কৰি দেশৰ ১০টা শ্ৰমিক সংগঠনৰ উমৈহতীয়া মঞ্চই আজি আহ্বান জনোৱা ভাৰত বন্ধৰ প্ৰভাৱ অসমতো পৰিলক্ষিত হয়। আমাৰ বিভিন্ন জিলাৰ সংবাদদাতাই জনোৱা মতে বন্ধৰ ফলত উত্তৰ গুৱাহাটীৰ ৰন্ধন গেছৰ বটলিং প্লেণ্ট, দুলীয়াজানৰ অইল ইণ্ডিয়াৰ অধীনস্থ তৈল প্ৰতিষ্ঠানসমূহ, নাজিৰাৰ তেল আৰু প্ৰাকৃতিক গেছ নিগমৰ মুখ্য কাৰ্যালয়কে ধৰি বিভিন্ন ঔদ্যোগিক প্ৰতিষ্ঠানৰ কাম-কাজ ব্যাহত হৈছে। নুমলীগড় শোধনাগাৰৰ কাম-কাজো আজি বন্ধৰ ফলত প্ৰভাৱিত হৈছে বুলি আমাৰ সংবাদদাতাই জনাইছে। গুৱাহাটী মহানগৰীত আজি ব্যক্তিগত খণ্ডৰ চিটী বাছ আৰু দূৰণিবটীয়া বাছৰ চলাচল বন্ধ আছে। অৱশ্যে অসম ৰাজ্যিক পৰিবহন নিগমৰ অধীনস্থ গ্ৰীণ বাছ সেৱা আৰু সৰু বাণিজ্যিক বাহনসমূহ চলাচল কৰি আছে। ধৰ্মঘটৰ ফলত আজি অসমতো বেংক আৰু বীমা কোম্পানীসমূহৰ কাম-কাজো প্ৰভাৱিত হয়। অৱশ্যে ষ্টেট বেংক অব ইণ্ডিয়াৰ মূল শাখাসমূহৰ কাম-কাজ প্ৰায় স্বাভাৱিক হৈ থাকে বুলি কোৱা হৈছে। ধৰ্মঘটৰ অন্যতম অংশীদাৰ অল ইণ্ডিয়া চেণ্ট্ৰেল কাউন্সিল অব ইউনিয়নছ আৰু ইউনাইটেড ৱৰ্কমেন ইউনিয়ন, ইণ্ডিয়া কাৰ্বন এমপ্লইজ এণ্ড লেবাৰ ইউনিয়নকে ধৰি কেইবাটাও শ্ৰমিক সংগঠনৰ ধৰ্মঘটৰ ফলত গুৱাহাটী শোধনাগাৰ, ইণ্ডিয়া কাৰ্বন প্ৰাইভেট লিমিটেড আৰু আছাম কাৰ্বন প্ৰাইভেট লিমিটেডৰ কাম-কাজ ব্যাহত হয়। গুৱাহাটীৰ খানাপাৰাতো কেইবাটাও শ্ৰমিক সংগঠনে আজি প্ৰতিবাদ সাব্যস্ত কৰে। বঙাইগাঁৱৰ বি আৰ পি এলৰ কাম-কাজ চলি আছে বুলি আমাৰ সংবাদদাতাই জনাইছে। শিলচৰত আজি শ্ৰমিক সংগঠনৰ প্ৰতিনিধিসকলে বিভিন্ন ঠাইত বন্ধৰ সমৰ্থনত পিকেটিং কৰে। শ্ৰীভূমি জিলাত আজি পুৱাৰে পৰা ব্যৱসায় প্ৰতিষ্ঠানসমূহ বন্ধ থকাৰ লগতে সাধাৰণ জনজীৱন ব্যাহত হয়। চৰকাৰী কাৰ্যালয়সমূহত কৰ্মচাৰীৰ উপস্থিতি সেৰেঙা হোৱা দেখা যায়।

চৰাইদেউ জিলাত আজি বন্ধৰ ব্যাপক প্ৰভাৱ দেখা যায়। অৱশ্যে বন্ধৰ পৰা ছাত্ৰ-ছাত্ৰী আৰু ৰোগী কঢ়িয়াই অনা বাহনসমূহক ৰেহাই দিয়া হয়। যোৰহাট জিলাত আজি চাহ মজদুৰ সংঘৰ কেন্দ্ৰীয় সমিতিৰ আহ্বান

মৰ্মে সোণাৰি-টীয়ক চাহ বাগিছা গোটে দুঘণ্টাজোৰা ধৰ্ণা কাৰ্যসূচী পালন কৰে। ওদালগুৰি জিলাৰ ভেৰগাঁৱৰ ডিমাকুছি চাহবাগিছাৰ শ্ৰমিকসকলে আজি এঘণ্টাজোৰা ধৰ্ণা কাৰ্যসূচী পালন কৰে।

শিৱসাগৰ জিলাতো আজি এই বন্ধৰ প্ৰভাৱ পৰিলক্ষিত হয়। এই সন্দৰ্ভত এয়া শিৱসাগৰৰ পৰা আমাৰ সংবাদদাতা মুজাহিদ আলী-

**বাইট**

ধুবুৰী জিলাতো আজি এই বন্ধৰ ব্যাপক প্ৰভাৱ পৰিলক্ষিত হয়। জিলাখনত যান-বাহনৰ চলাচল সম্পূৰ্ণৰূপে বন্ধ হৈ পৰাৰ ফলত জনজীৱন ব্যাহত হৈ পৰে। ধুবুৰী চহৰৰ লগতে গৌৰীপুৰ, গোলকগঞ্জ আৰু বিলাসীপাৰা সমজিলাৰ সৰহ সংখ্যক বিত্তীয় প্ৰতিষ্ঠান, ডাকঘৰ আদি বন্ধ থকা পৰিলক্ষিত হয়। একাংশ ধৰ্মঘটকাৰীয়ে জিলাখনৰ বিভিন্ন পথ অৱৰোধ কৰি বন্ধ সফল কৰাৰ চেষ্টা চলায়। জিলাখনৰ প্ৰায়ভাগ চৰকাৰী কাৰ্যালয়তে কৰ্মচাৰীৰ উপস্থিতি সেৰেঙা হোৱা পৰিলক্ষিত হয়।

বৰপেটা জিলাত আজি বন্ধৰ প্ৰভাৱ দেখা যায়। ভাৰতীয় জীৱন বীমা নিগমৰ বৰপেটা শাখাই আজি ধৰ্মঘট পালন কৰে। ধৰ্মঘটকাৰীসকলে কেন্দ্ৰীয় চৰকাৰৰ প্ৰস্তাৱিত শ্ৰম ক'ড বাতিল, ভাৰতীয় জীৱন বীমা নিগমৰ প্ৰিমিয়ামত জি এছ টি প্ৰত্যাহাৰকে ধৰি কেইবাটাও দাবী উত্থাপন কৰে। কামৰূপ জিলাতো আজি শতাধিক শ্ৰমিক আৰু কৃষকে প্ৰতিবাদী কাৰ্যসূচী পালন কৰে। ইয়াৰ ফলত জিলাখনত যান-বাহনৰ চলাচল বন্ধ হোৱাৰ লগতে জনজীৱন ব্যাহত হয়। বাক্সা জিলাত গৃহ নিৰ্মাণ শ্ৰমিক সন্থাই অঞ্চলিত ধৰ্মঘট কাসূচী ৰূপায়ণ কৰে। প্ৰতিবাদকাৰীসকলে ১১টা দাবী পূৰণৰ বাবে এই প্ৰতিবাদ কৰিছে বুলি উল্লেখ কৰে। গোৱালপাৰা জিলাতো আজি বন্ধৰ ফলত যান-বাহনৰ চলাচল সীমিত হোৱাৰ লগতে বিভিন্ন অনুষ্ঠান-প্ৰতিষ্ঠান বন্ধ থকা পৰিলক্ষিত হয়।

০০০০০০

মুখ্যমন্ত্ৰী ডঃ হিমন্ত বিশ্ব শৰ্মাই চিৰাঙৰ সদৰ কাজলগাঁৱত জিলা বিজেপিৰ নৱ নিৰ্মিত কাৰ্যালয় গৃহটো মুকলি কৰে। জিলা বিজেপিৰ কাৰ্যালয় মুকলি হোৱাৰ পাছত মুখ্যমন্ত্ৰীগৰাকীয়ে বিজেপিৰ কাৰ্যকৰ্তা সন্মিলনত অংশ গ্ৰহণ কৰে। মুখ্যমন্ত্ৰী ড০ শৰ্মাই কয় যে সমাগত বিটিচি পৰিষদীয় নিৰ্বাচনত বিজেপিয়ে অকলে অৱতীৰ্ণ হ'ব। ইয়াৰ বাবে দলীয় কাৰ্যকৰ্তাসকলক সকলো বুথক শক্তিশালী কৰিবলৈ তেওঁ আহ্বান জনায়।

**বাইট ঃ মুখ্যমন্ত্ৰী**

তেওঁ কয়, যে চিৰাঙত বিগত সময়ছোৱাত ৩০ হাজাৰ লোক অৰুণোদয় আঁচনিত অন্তৰ্ভুক্ত হৈছে। এইবাৰ জিলাখনত ৬০ হাজাৰ হিতাধিকাৰী অৰুণোদয় আঁচনি লাভ কৰিব বুলি তেঁও প্ৰকাশ কৰে। মুখ্যমন্ত্ৰীগৰাকীয়ে বিগত ৫ বছৰত বিটিআৰত শান্তিৰ বাতাবৰণ সৃষ্টি হোৱা বুলি উল্লেখ কৰে। আজিৰ কাৰ্যকৰ্তা সন্মিলনত অসম প্ৰদেশ বিজেপিৰ সভাপতি দিলীপ শইকীয়াইও অংশগ্ৰহণ কৰে। বিজেপিৰ ৰাজ্যিক সভাপতিগৰাকীয়ে বিগত ৫ বছৰত বিটিআৰৰ উন্নয়ন হোৱা বুলি উল্লেখ কৰে। এই সন্মিলনত মন্ত্ৰী কৌশিক ৰায়, বিধায়ক হেমাংগ ঠাকুৰীয়া, ৰামকৃষ্ণ ঘোষ উপস্থিত থাকে। উল্লেখযোগ্য যে মুখ্যমন্ত্ৰীগৰাকীয়ে জিলাখনৰ প্ৰশাসনীয় মুৰব্বী বিষয়াসকলৰ সৈতে বিভিন্ন কেন্দ্ৰীয় আৰু ৰাজ্য চৰকাৰৰ আঁচনি ৰূপায়ণৰ পৰ্যালোচনা বৈঠকতো অংশগ্ৰহণ কৰে। মুখ্যমন্ত্ৰীগৰাকীয়ে জিলাখনত ৰূপায়ণ হৈ থকা বিভিন্ন চৰকাৰী জনকল্যানমূলক আঁচনিৰ অগ্ৰগতিৰ বুজ লয়। জিলা আয়ুক্তৰ কাৰ্যালয়ত অনুষ্ঠিত পৰ্যালোচনা বৈঠকত অংশগ্ৰহণ কৰি মুখ্যমন্ত্ৰীগৰাকীয়ে আঁচনিসমূহৰ ৰূপায়নৰ জৰিয়তে সমাজৰ শেষ শাৰীৰ লোকজনকো সামৰি লবলৈ জিলা আয়ুক্তই নিৰ্দেশ দিয়ে।

০০০০০০০

অসম প্ৰদেশ কংগ্ৰেছ কমিটিৰ সভাপতি গৌৰৱ গগৈয়ে আজি গুৱাহাটীৰ ৰাজীৱ ভৱনত বিটিচি পৰিষদীয় নিৰ্বাচনক লৈ পৰ্যবেক্ষকসকলৰ সৈতে আলোচনাত মিলিত হয়। সভাপতি গগৈয়ে বৈঠকত পৰ্যবেক্ষকসকলৰ সৈতে বিটিআৰৰ ৪০ খন আসন সন্দৰ্ভত পুংখানুপুংখভাৱে পৰ্যালোচনা কৰে। আলোচনাৰ অন্তত সভাপতি গগৈয়ে সংবাদ মাধ্যমৰ আগত কয়, যে বিটিআৰৰ ৪০ খন আসনৰ বাবে ৭০-৮০ জনীয়া এখন পৰ্যবেক্ষকৰ তালিকা প্ৰস্তুত কৰা হৈছে। এই পৰ্যবেক্ষকসকলক তেওঁলোকৰ দায়িত্ব সন্দৰ্ভত আজি অৱগত কৰা হয় বুলি সভাপতিগৰাকীয়ে জানিবলৈ দিয়ে।

**বাইট ঃ গৌৰৱ গগৈ**

০০০০০০০

নাগালেণ্ডত হোৱা নেৰানেপেৰা বৰষুণৰ ফলত গোলাঘাট জিলাৰ ধনশিৰি নৈৰ জলপৃষ্ঠ বৃদ্ধি পোৱাত জিলাখনৰ ৫ খন ৰাজহ চক্ৰ বানৰ কবলত পৰিছে। সাম্প্ৰতিক পৰিস্থিতিৰ প্ৰতি লক্ষ্য ৰাখি জিলা প্ৰশাসন আৰু দুৰ্যোগ ব্যৱস্থাপনা বিভাগৰ লগতে আন আন বিভাগসমূহে সন্মিলিত প্ৰচেষ্টাৰে তৎপৰতা অৱলম্বন কৰিছে। জিলাখনৰ বিভিন্ন স্থানত মুঠ ৩৩ টা সাহায্য শিবিৰ স্থাপন কৰি জিলা প্ৰশাসনে বন্যাৰ্তলৈ সহায়ৰ হাত আগবঢ়াইছে। মৰঙি ৰাজহ চক্ৰৰ অধীনৰ মুঠ ২৪ খন গাঁৱৰ প্ৰায় ছহেজাৰ লোক বানৰ কবলত পৰিছে। বোকাখাট ৰাজহ চক্ৰৰ মুঠ ৯ খন গাঁৱৰ ৮ সহস্ৰাধিক লোক বানৰ কবলত পৰাৰ বিপৰীতে খুমতাই ৰাজহ চক্ৰৰ অধীনৰ ৩০ খন গাঁও বানত ক্ষতিগ্ৰস্ত হৈছে। সেইদৰে গোলাঘাট ৰাজহ চক্ৰৰ মুঠ ২৩ খন গাঁৱৰ প্ৰায় দুহেজাৰ লোক এই বানৰ কবলত পৰিছে। আজিৰ দিনটোত বোকাখাট আৰু সৰুপথাৰ ৰাজহ চক্ৰৰ দুগৰাকী লোক বানত মৃত্যু হোৱাৰ খবৰ আহিছে। মৰঙিত বাহৰ পাতি থকা যোৰহাটৰ এন ডি আৰ এফৰ এটা দলে এছ ডি আৰ এফৰ সহযোগত উদ্ধাৰ অভিযান অব্যাহত ৰাখিছে। বানপীড়িত লোকসকল যাতে কোনো ধৰণৰ অসুবিধাৰ সন্মুখীন নহয়, তাৰ বাবে জিলা প্ৰশাসনে বিহিত ব্যৱস্থা গ্ৰহণ কৰিছে।

মৰঙিত ধনশিৰি নৈৰ বাঢ়নি পানীয়ে এখন কাঠৰ দলং উটুৱাই নিয়ে। ৩ নম্বৰ ভোলাগুৰি আৰু ৩৯ নম্বৰ ৰাষ্ট্ৰীয় ঘাইপথৰ সাৰৰ গাওঁ সংযোগী এই দলংখন উটুৱাই নিয়াত ভোলাগুৰি অঞ্চলত বহু লোক বানত আৱদ্ধ হৈ পৰিছে।

ইপিনে, কিছুদিন ধৰি হোৱা ধাৰাষাৰ বৰষুণৰ ফলত হোজাই জিলাত বান পৰিস্থিতি জটিল হৈ পৰিছে। যমুনা নৈৰ বাঢ়নি পানীয়ে ডবকা আৰু যমুনামুখৰ কিছু অংশ পুনৰ বুৰাই পেলাইছে। বানৰ ফলত অঞ্চলটোৰ ৪ শতাধিক পৰিয়াল আবদ্ধ হৈ পৰা বুলি আমাৰ সংবাদদাতাই জানিবলৈ দিয়ে।

হোজাই জিলা প্ৰশাসনৰ ফালৰ পৰা উদ্ধাৰ অভিযান চলোৱাৰ লগতে বান সাহায্য প্ৰদান কৰি থকা বুলিও সংবাদদাতাই জানিবলৈ দিয়ে

০০০০০০০

কামৰূপ মহানগৰ জিলাৰ পকছ' আদালতে শিশুক যৌন নিৰ্যাতনৰ গোচৰত জয়ন্ত তালুকদাৰ নামৰ এজন লোকক যাৱজ্জীৱন কাৰাদণ্ড আৰু ১ লাখ টকা জৰিমনা বিহিছে। পল্টন বজাৰ থানাত ৰুজু হোৱা গোচৰৰ ভিত্তিত আদালতে লোকজনক এই শাস্তি বিহে। জালুকবাৰী থানাৰ আন এটা গোচৰত আজি আদালতে জানু বৰুৱা এজন লোকক ৫ বছৰৰ সশ্ৰম কাৰাদণ্ড আৰু ৫০ হাজাৰ টকা জৰিমনা বিহিছে।

ওদালগুৰি জিলা বিশেষ ন্যায়াধীশৰ আদালতে শিশু যৌন নিৰ্যাতনৰ অপৰাধত দোষী সাব্যস্ত লক্ষীৰাম হেমব্ৰম নামৰ এজন অপৰাধীক ২০ বছৰৰ সশ্ৰম কাৰাদণ্ড আৰু ২০ হাজাৰ টকাৰ জৰিমনা বিহে। হৰিশিঙা

থানাৰ অন্তৰ্গত শান্তিপুৰ ধিপাবস্তিৰ বাসিন্দা লোকজনে ২০২৩ চনৰ ৩ ফেব্ৰুৱাৰীৰ পুৱা জিলাখনৰ স্বপনগাঁও কাচিতোলাৰ এটি শিশুক যৌন নিৰ্যাতন চলাইছিল। শিশুটিৰ মাতৃৰ এজাহাৰৰ ভিত্তিত ওদালগুৰি আৰক্ষীয়ে অভিযুক্তজনক গ্ৰেপ্তাৰ কৰি কাৰাগাৰলৈ প্ৰেৰণ কৰিছিল। ওদালগুৰি জিলাৰ  বিশেষ ন্যায়াধীশ এন চানাবায়া দেউৰীৰ আদালতে সাক্ষ্য প্ৰমাণৰ ভিত্তিত লোকজনক দোষী সাব্যস্ত কৰি শাস্তিৰ ৰায় দিয়াৰ লগতে ভুক্তভোগী পৰিয়ালক ৫ লাখ টকাৰ ক্ষতিপূৰণ দিয়াৰ বাবে জিলা আইন সেৱা প্ৰাধিকৰণক নিৰ্দেশ দিয়ে।

ইপিনে, কামৰূপ জিলাৰ চাংসাৰি থানাৰ অন্তৰ্গত ডোৱাকহৰা গাঁৱত ২০১৩ চনৰ ১৩ জুলাইত সংঘটিত ধৰ্ষণৰ ঘটনাৰ অপৰাধত আজি ৰঙিয়াৰ অতিৰিক্ত জিলা আৰু ছেছন ন্যায়াধীশ মুকুল চেতিয়াই অভিযুক্তক ১০ বছৰৰ সশ্ৰম কাৰাদণ্ডৰ ৰায় দিয়ে। আদালতে উপযুক্ত তথ্য প্ৰমাণৰ ভিত্তিত আজি অভিযুক্ত হিতেশ কাকতি নামৰ লোকজনক এই শাস্তিৰ ৰায় দিয়াৰ লগতে ৫ হাজাৰ টকাৰ জৰিমনা বিহে। তদুপৰি ভূক্তভোগী যুৱতীগৰাকী জিলা ন্যায়িক প্ৰাধিকৰণৰ তৰফৰ পৰা ১ লাখ টকাৰ আৰ্থিক সাহায্য প্ৰদান কৰা হৈছে বুলি চৰকাৰী পক্ষৰ অধিবক্তাই প্ৰকাশ কৰে।

০০০০০০

শ্ৰীমন্ত শংকৰদেৱ কলাক্ষেত্ৰ সমাজৰ উদ্যোগত আজিৰে পৰা অসমৰ নৃগোষ্ঠীয় সাংস্কৃতিক সমন্বয় আৰু বিনিময় অভিযান শীৰ্ষক দ্বিতীয় পৰ্যায়ৰ আৱাসিক কৰ্মশালা অনুষ্ঠিত হৈছে। কলাক্ষেত্ৰৰ চৌহদত অনুষ্ঠিত এই কৰ্মশালাত বিভিন্ন জনগোষ্ঠীৰ ১২০ গৰাকী  যুৱ শিল্পীয়ে অংশগ্ৰহণ কৰে। কৰ্মশালাত ১৮ গৰাকী সমল ব্যক্তিয়ে প্ৰশিক্ষণ প্ৰদান কৰিব। আজিৰ উদ্বোধনী অনুষ্ঠানত কলাক্ষেত্ৰ সমাজৰ সচিব সুদৰ্শন ঠাকুৰে এই কাৰ্যসূচীৰ তাৎপৰ্য ব্যাখ্যা কৰে।  এই কৰ্মশালাত টাই খামিয়াং, ডালু, জেমি নগা আৰু ৰাংখল জনগোষ্ঠীৰ শিল্পীসকলে ভাগ লৈছে। আজিৰ কাৰ্যসূচীত মূলতঃ ৰাংখল আৰু ডালু জনগোষ্ঠী তথা টাই খামিয়াং আৰু জেমি নগা জনগোষ্ঠীৰ শিল্পীসকলে পৰস্পৰে পৰস্পৰৰ নৃত্যশৈলীৰ দীক্ষা গ্ৰহণ কৰে।

০০০০০০

দিশপুৰ আৰক্ষীয়ে মছজিদলৈ গাহৰী মাংস নিক্ষেপ কৰাৰ ঘটনাৰে জড়িতৰ অভিযোগত মৃদুপৱন পাঠক নামৰ এজন যুৱকক গ্ৰেপ্তাৰ কৰে। চিচিটিভিৰ দৃশ্যৰ সহায়ত আৰক্ষীয়ে অভিযান চলাই বৰপেটাৰ পৰা যুৱকজনক গ্ৰেপ্তাৰ কৰি গুৱাহাটীলৈ লৈ আনে। যুৱকজনৰ স্কুটিখনো আৰক্ষীয়ে জব্দ কৰে।

০০০০০০০

অসমীয়া সংগীত জগতৰ অন্যতম পুৰোধা প্ৰভাত শৰ্মাৰ ওপজা দিন উপলক্ষে কাইলৈ সংগীত শিল্পীগৰাকীৰ সোঁৱৰণত মাধৱদেৱ আন্তৰ্জাতিক প্ৰেক্ষাগৃহত প্ৰভাতী পৰশ শীৰ্ষক এটা বিশেষ অনুষ্ঠানৰ আয়োজন কৰা হৈছে। সাংস্কৃতিক অনুষ্ঠান দেৱগান্ধাৰ উদ্যোগত আৰু ইনলী ফাউণ্ডেশ্যনৰ সহযোগত আয়োজিত এই অনুষ্ঠানত অসমীয়া লোকলাৰ লগতে ভূপেন্দ্ৰ নাথ হাজৰিকা নাটক **আলাপ** পৰিবেশন কৰা হ'ব।

০০০০০০০

ৰাজহ মন্ত্ৰী কেশৱ মহন্তই আজি প্ৰধানমন্ত্ৰী ৰাষ্ট্ৰীয় ডায়েলাইছিছ আঁচনিৰ অধীনত কলিয়াবৰ মহকুমা অসামৰিক চিকিৎসালয়ত এটা ডায়েলাইছিছ কেন্দ্ৰ মুকলি কৰে। কেন্দ্ৰটোৱে বৃহত্তৰ কলিয়াবৰৰ ৰাইজক উপকৃত কৰিব। এই উপলক্ষে সাংবাদিকৰ সৈতে হোৱা কথা-বতৰাত মন্ত্ৰীগৰাকীয়ে দেশৰ আগশাৰীৰ চিকিৎসালয় এপ'লৰ সৈতে ৰাজ্য চৰকাৰে কৰা চুক্তি অনুসৰি স্বাস্থ্য খণ্ডত ডায়েলাইছিছৰ ব্যৱস্থা কৰা হৈছে বুলি প্ৰকাশ কৰে। তেওঁ কয় যে এনে ব্যৱস্থাৰ অংশ হিচাপে কলিয়াবৰ মহকুমা চিকিৎসালয় মুকলি কৰা কেন্দ্ৰটোত দৈনিক তিনিটা ভাগত ১২গৰাকী ৰোগীয়ে বিনামূলীয়াকৈ চিকিৎসা লাভ কৰিব।

০০০০০০০

মৰিগাওঁ জিলা কৃষি বিভাগে ৰাষ্ট্ৰীয় কৃষি বিকাশ যোজনা ২০২৫-২৬ ৰ আঁচনিৰ অধীনত বানত ক্ষতিগ্ৰস্ত কৃষকক সমূহীয়া কঠিয়াতলী প্ৰস্তুতকৰণৰ গুৰুত্বপূৰ্ণ পদক্ষেপ গ্ৰহণ কৰিছে। এই আঁচনিৰ অধীনত আজি জিলাখনৰ ভুৰবন্ধা কৃষি চক্ৰৰ অধীনত গৰমাৰীত কঠিয়া সিঁচা কাৰ্যসূচী শুভাৰম্ভ কৰা হয়। এই অনুষ্ঠানৰ লগত সংগতি ৰাখি প্ৰগতিশীল কৃষক বুদ্ধেশ্বৰ কোঁৱৰৰ ৪ হেক্টৰ মাটিত উচ্চ উৎপাদনক্ষম শালী ধানৰ বীজ সিচা হয়।

০০০০০০০

১৩৪ সংখ্যক বৰ্ষত পদাৰ্পন কৰা দেশৰ ঐতিহাসিক ফুটবল প্ৰতিযোগিতা ডুৰাণ্ড কাপৰ তিনিওটা ট্ৰফী আজি মেঘালয়ৰ ৰাজধানী শ্বিলঙলৈ অনা হয়। এই উপলক্ষে আয়োজিত অনুষ্ঠানত মেঘালয়ৰ মুখ্যমন্ত্ৰী কনৰাড চাংমা মুখ্য অতিথি হিচাপে উপস্থিত থাকে। মুখ্যমন্ত্ৰীগৰাকীয়ে ডুৰাণ্ড কাপক আদৰণি জনোৱাৰ লগতে তিনিওটা ট্ৰফী মুকলি কৰে। শ্বিলঙক দ্বিতীয়বাৰৰ বাবে ডুৰাণ্ড কাপ ফুটবল প্ৰতিযোগিতা আয়োজনৰ বাবে নিৰ্বাচিত কৰাত মুখ্যমন্ত্ৰীগৰাকীয়ে সশস্ত্ৰ বাহিনীক ধন্যবাদ জনায়। উল্লেখযোগ্য যে অহা ২৩ জুলাইৰ পৰা দেশৰ ৫ খন ৰাজ্যত ডুৰাণ্ড কাপ ফুটবল প্ৰতিযোগিতা অনুষ্ঠিত হ'ব। ইয়াৰে গ্ৰুপ-ইৰ ৬ খন খেলৰ লগতে নক আউট পৰ্যায়ৰ দুখন খেল শ্বিলঙত অনুষ্ঠিত হ'ব।

০০০০০০০

বিশ্বনাথ জিলাৰ বিহালী সমষ্টিৰ অন্তৰ্গত বেদেতীত আজি আন্তঃবিদ্যালয় ফুটবল প্ৰতিযোগিতাৰ সামৰণি পৰে। বিশ্বনাথ জিলা ক্ৰীড়া বিষয়া কাৰ্যালয়ৰ উদ্যোগত অনুষ্ঠিত এই প্ৰতিযোগিতাৰ ১৫ বছৰ অনুৰ্ধৰ লৰাৰ শাখাত বীৰ লাচিত উচ্চ মাধ্যমিক বিদ্যালয় বিজয়ী হয়। ১৭ বছৰ অনুৰ্ধৰ ল'ৰাৰ শাখাত পূৱ বিহালী উচ্চতৰ মাধ্যমিক বিদ্যালয়ে খিতাপ অৰ্জন কৰে। সেইদৰে ১৭ বছৰ অনুৰ্ধৰ ছোৱালী শাখাত ষ্টেলা মেৰী বিদ্যালয় বিজয়ী হয়। আনহাতে আজি জিলাখনৰ জৱাহৰ নৱোদয় বিদ্যালয়ত হকী খেলৰ বাচনি অনুষ্ঠিত হৈছে।

০০০০০০

গোলাঘাট জিলাৰ বোকাখাটৰ বৰচাপৰি চাহ বাগিছাত বন্যহস্তীৰ আক্ৰমণত এজন লোকৰ মৃত্যু হয়। বাগিছাৰ মাজেৰে খোজকাঢ়ি গৈ থকা অৱস্থাত হাতীয়ে আক্ৰমণ কৰাত ধমা নায়ক নামৰ লোকজনৰ মৃত্যু হয়।

০০০০০০

**সমাপ্ত**